গোড়ামিৰ কাৰণেই হওক, শঙ্কৰদেৱৰ সময়ত আৰু তেওঁৰ পৰৱৰ্ত্তী কালতো শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ মাজত সংঘৰ্ষ লগা দেখা যায়। আনকি স্বয়ং শঙ্কৰদেৱ, মাধৱদেৱ প্ৰমুখ্যে বৈষ্ণৱ গুৰু আৰু ধৰ্ম প্ৰচাৰকসকল শাক্তধৰ্মী ৰজাৰ ৰোষত পৰিব লগা হৈছিল। আহোম ৰাজ ৰোষত পৰা কাৰণেই মাধৱদেৱ কিছুদিন আটক হৈ থাকিব লগা হৈছিল আৰু শঙ্কৰদেৱৰ জোৱায়েক হৰিক কাটি পেলোৱা হৈছিল। কোচৰজা নৰনাৰায়ণৰ ৰোষত পৰা কাৰণেই শঙ্কৰদেৱৰ শিষ্য নাৰায়ণ ঠাকুৰ আৰু গকুলচান্দক প্ৰথমে শাস্তি দি শেষত ভোটত বিক্ৰী কৰা হৈছিল; পিছত যেনিবা ভোটৰ কবলৰ পৰা নিষ্কৃতি পাইছিল। শঙ্কৰদেৱ নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হব লগাৰ গুৰিতেই আছিল শাক্ত-বৈষ্ণৱৰ বিৰোধ। আৰু এনে বিৰোধৰ ফল স্বৰূপেই আহোম-মোৱামৰীয়াৰ বহুদিন ধৰি সংঘৰ্ষ চলিছিল—যাৰ ফলত আহোম ৰাজশক্তি দুৰ্বল হৈ পৰিছিল।

ওপৰত শঙ্কৰদেৱৰ সময়ৰ আৰু পৰৱৰ্ত্তী কালৰ শাক্ত-বৈষ্ণৱ ধৰ্মীৰ সংঘৰ্ষৰহে কেইটিমান নিদৰ্শন দাঙি ধৰা হ'ল; কিন্তু তাম্ৰশাসন বা 'কালিকা-পুৰাণ', 'যোগিনী-তন্ত্ৰ'ত বিভিন্ন ধৰ্মৰ মিলনৰ নিদৰ্শন থকাৰ দৰে পৰৱৰ্ত্তী যুগতো যে বিভিন্ন ধৰ্মৰ মাজত সমন্বয় সাধিত হোৱা নাছিল, সেইটো ক'লে সত্যৰ অপলাপ কৰা হ'ব। শাক্তধৰ্মী হোৱা কাৰণে ৰজাসকলে যেনেকৈ শাক্ত তথা বৈষ্ণৱ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল, তেনেকৈ বৈষ্ণৱ ধৰ্মৰপ্ৰতিও গভীৰ উদাৰতা দেখুৱাইছিল। কেবাজনো কোচ আৰু আহোম ৰজাই অসমৰ বিভিন্ন ঠাইত শিৱ আৰু শক্তিৰ মন্দিৰ বা দ'লৰ উপৰি বিষ্ণুৰ মন্দিৰ বা দ'লো নিৰ্মাণ কৰাইছিল। শিৱসাগৰৰ বৰ পুখুৰীৰ দক্ষিণ পাৰে থকা শিৱ-দ'ল, বিষ্ণু-দ'ল আৰু দেৱী-দ'লেই ইয়াৰ উৎকৃষ্ট প্ৰমাণ। জয়সাগৰৰ উত্তৰ পাৰে থকা দ'ল তিনিটায়ো তিনিধৰ্মৰ সমন্বয়ৰে সাক্ষ্য দিয়ে। ৰজাসকলে